بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## হুদাবিয়াৰ সন্ধিৰ প্ৰেক্ষাপটত আঁহজৰত (ছাঃ)ৰ জীৱনী সম্পৰ্কে বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৫ নৱেম্বৰ ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আজি হুদায়বিয়াৰ সন্ধি সম্পৰ্কে বৰ্ণনা কৰিম। হুদায়বিয়াৰ সন্ধি জিলকদাহ ৬ হিজৰি অনুসৰি ৬২৭ খ্ৰীষ্টাব্দৰ মাৰ্চ মাহত সম্পাদিত হৈছিল। এই পৰিঘটনাক হুদায়বিয়াৰ যুদ্ধ বুলিও কোৱা হয়। হুদাবিয়াৰ যুদ্ধ সম্পৰ্কে আল্লাহ তা'লাই সম্পূৰ্ণ এটা ছুৰা, অৰ্থাৎ ছুৰাতুল ফাতাহ নাযিল কৰিছে। উক্ত ছুৰাৰ প্ৰথম আয়াত মোবাৰকত আল্লাহ তা'লাই কৈছে যে আমি নিশ্চয় তোমাক স্পষ্ট বিজয় দান কৰিলো, যাতে আল্লাহ, তোমাক, তোমাৰ অতীতৰ প্ৰত্যেক আৰু ভৱিষ্যতৰ সকলো হ'ব পৰা ভুল,ভ্ৰান্ত ক্ষমা কৰে আৰু তোমালৈ নিজৰ অনুগ্ৰহ ৰাজি পৰিপূৰ্ণ কৰি দিয়ে আৰু তোমাক (ছিৰাতে মুস্তাকিম) সজ বাটত পৰিচালিত কৰিব পাৰে। আৰু যাতে আল্লাহ তা'লাই তোমাক এক মহান উপায়েৰে সাহয় কৰিব পাৰে, যি বিজয় সাব্যস্তকাৰী সহায় হয়।

হুদায়বিয়া এটা কূঁৱাৰ নাম আছিল যি প্ৰাথমিক অৱস্থাত ইছলামিক পথচাৰী আৰু হজ্বযাত্ৰী সকলৰ কামত লাগিছিল। কিন্তু তাতে কোনো বসতি নাছিল। এই ঠাইখন মক্কাৰ পৰা প্ৰায় ন মাইল মান আঁতৰত অৱস্থিত আছিল। হুদায়বিয়া পৱিত্ৰ মক্কাৰ পশ্চিম সীমান্তত অৱস্থিত। ৰোৱায়েত আৰু ইতিহাসৰ পৰা জানিব পৰা যায় যে আঁহজৰত (ছাঃ)য়ে দেখা এটা সপোনক ভিত্তি কৰি হুদায়বিয়ালৈ যাত্ৰা কৰে। তেখেত (ছাঃ)য়ে সপোনত দেখিছিল যে তেখেত (ছাঃ)য়ে চাহাবা সকলক লৈ শান্তিপূৰ্ণ ভাৱে, নিজৰ মূৰৰ চুলি চাঁচি পৰিষ্কাৰ কৰিছে আৰু মক্কাত প্ৰৱেশ কৰিছে, এনেকৈ বায়তুল্লাহত প্ৰৱেশ কৰিছে আৰু তাৰ চাবি কাঠি লৈ লৈছে আৰু আৰাফাতৰ ময়দানত অকুফ কৰোঁতা সকলৰ লগত অকুফ কৰিছে। এই সপোনৰ ওপৰত ভিত্তি কৰি

তেখেত (ছাঃ)য়ে আৰবৰ বাসিন্দা আৰু ওচৰে-পাজৰে থকা হাবি বনৰ লোক সকলক তেখেত (ছাঃ)ৰ লগত যাবলৈ মাতি পঠিয়ায়। এই যাত্ৰা পথত মুছলমান সকলৰ ওচৰত খাপত ভৰোৱা তৰোৱালৰ বাহিৰে আন কোনো অস্ত্ৰ-শস্ত্ৰ নাছিল। সেই যুগত ঘৰৰ পৰা ওলাওঁতেই প্ৰত্যেকেই তৰোৱাল লগতলৈ ওলোৱা কৰিছিল। সেই বুলি এয়া প্ৰয়োজন নাছিল যে যাৰ লগত তৰোৱাল আছে, তেওঁ নিশ্চয় যুদ্ধ কৰিব। হজৰত উমৰ (ৰাঃ)য়ে অস্ত্ৰ-শস্ত্ৰ নোলোৱা সম্পৰ্কে প্ৰশ্ন কৰাত আঁহজৰত (ছাঃ)য়ে কৈছিল যে - কাৰণ মই, উমৰাহ কৰিবলৈ গৈ আছো, গতিকে মই নিবিচাৰো যে অস্ত্ৰ লগত লৈ যাওঁ।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ এই সপোন সম্পৰ্কে উল্লেখ কৰি কয় যে তেখেত (ছাঃ)য়ে এই সপোন দেখাৰ পিছত নিজৰ চাহাবা সকলক আহ্বান জনাইছিল যে তেওঁলোকেও উমৰাহৰ বাবে সাজু হওঁক।

উমৰাহ সৰু হজ্বৰ দৰেই আছিল, য'ত হজ্বৰ কিছুমান ৰীতি-নীতি বাদ দি বায়তুল্লাহৰ তোৱাফ আৰু কুৰবানী কৰা হয়। এই ইবাদতৰ বাবে বছৰৰ কোনো নিৰ্দ্ধাৰিত তাৰিখ বা সময় ধৰাবন্ধা নাই বৰং এয়া বছৰত যিকোনো সময়ত আৰু ঋতুত সম্পন্ন কৰিব পৰা যায়।

হুদাবিয়াৰ অভিযানত অংশ গ্ৰহণ কৰা মুছলমানৰ সংখ্যা সম্পৰ্কে বিভিন্ন ৰোৱায়েত আছে, যিবিলাকত এই সংখ্যা এহেজাৰৰ পৰা সোতৰ শ পৰ্যন্ত বৰ্ণনা কৰিছে। হুদায়বিয়াৰ অভিযানত আঁহজৰত (ছাঃ)ৰ পত্নী হজৰত উম্মে ছালমা (ৰাঃ) তেখেত (ছাঃ)ৰ লগত গৈছিল। আঁহজৰত (ছাঃ)য়ে জিলকাদাৰ আৰম্ভণীত অহা সোমবাৰে এই যাত্ৰা আৰম্ভ কৰিছিল আৰু জুৱাল হুলায়ফাত গৈ নামাজে জহৰ পঢ়িছিল, তাৰ পিছত কোৰবাণীৰ জন্তু সংগ্ৰহ কৰে যাৰ সংখ্যা সত্তৰটা আছিল, সিহঁতক মালা পিন্ধোৱাইছিল আৰু উট বিলাকৰ কুঁজত চিহ্ন লগাই দিছিল। বাকী জন্তু বিলাকৰ ওপৰত চাহাবী হজৰত নাজিয়া (ৰাঃ)য়ে চিহ্ন লগাই দিছিল। এই ভ্ৰমণ কালত মুছলমান সকলৰ ওচৰত দুশ ঘোঁৰা আছিল।

নবী কৰিম (ছাঃ)য়ে কুৰাইছ সকলৰ পৰিস্থিতিৰ বুজ ল'বলৈ এজন বাৰ্তাবাহকক আগত পঠাই দিয়ে আৰু সতৰ্কতা অৱলম্বন কৰিবলৈ বিশজনীয়া অশ্বাৰোহীৰ দল এটাও আগতে পঠিয়াই দিছিল। ৰওহা নামক স্থানত গৈ পোৱাৰ পিছত খবৰ পাইছিল যে তাতে মুশৰিক সকলে বৈ আছে, সিহঁতে হঠাতে আক্ৰমণ কৰিব পাৰে। এই খবৰ পোৱাৰ লগে লগে আঁহজৰত (ছাঃ)য়ে হজৰত আবু কাতাদাহ আনছাৰী (ৰাঃ)ক চাহাবা সকলৰ এটা জামাতৰ সৈতে পঠিয়াই দিয়ে।

এই ভ্ৰমণ কালত এবাৰ সকলো লোকে আহি আঁহজৰত (ছাঃ)ৰ ওচৰত আহি জমা হৈছিল তেতিয়া তেখেত (ছাঃ)ৰ সন্মুখত এটা পানীৰ পাত্ৰ আছিল আৰু তেখেত (ছাঃ)য়ে ওজু কৰি আছিল। তেখেত (ছাঃ)য়ে সুধিছিল কি হৈছে ? চাহাবা সকলে কৈছিল যে আপোনাৰ ওচৰত থকা পাত্ৰত যিখিনি পানী আছে, ইয়াৰ বাহিৰে আমাৰ কাৰো ওচৰত না পান কৰিবলৈ পানী আছে আৰু না ওজু কৰিবলৈ পানী আছে। তেতিয়া আঁহজৰত (ছাঃ)য়ে সেই পানীৰ পাত্ৰত হাত ৰাখিছিল আৰু তেখেত (ছাঃ)ৰ আঙুলিৰ ফাঁকেৰে পানীৰ ফোয়াৰা বৈ আহে। হজৰত জাবিৰ (ৰাঃ)য়ে কৈছে যে আমি সেই পানী পান কৰিছিলোঁ আৰু ওজু কৰিছিলোঁ আৰু আমি যদি সংখ্যাত এক লাখও থাকিলোহেঁতেন তথাপি পানী আমাৰ বাবে যথেষ্ট হ'লহেঁতেন।

হজৰত মছীহ মাওউদ (আঃ)য়ে মজিজা (অলৌকিকতা) সম্পৰ্কে কৈছে যে নৈকট্য প্ৰাপ্তি স্থানত মাজে সময়ে মানুহৰ দ্বাৰা এনেকুৱা ঘটনা প্ৰকাশিত হয় যে সেয়া মানৱীয় শক্তিৰ বাহিৰত বুলি অনুমান হয় আৰু খোদাই শক্তিৰ ৰঙ ধাৰণ কৰি লয়। বহুতো মজিজা আছে যিবোৰ আঁহজৰত (ছাঃ)য়ে নিজৰ দক্ষতাৰ বলত দেখুৱাইছে, যিবোৰৰ লগত কোনো দোৱা নাছিল।

কুৰাইছ্ সকলে এই কথাটো গম পোৱা সত্বেও যে মুছলমান সকলে যুদ্ধৰ অভিপ্ৰায় লৈ নহয় বৰং বায়তুল্লাহ্ তোয়াফ কৰাৰ অভিপ্ৰায়ত মক্কালৈ আহি আছে তথাপি মুছলমান সকলক মক্কা প্ৰৱেশত বাধা আৰোপ কৰাৰ সিদ্ধান্ত লয়। ইয়াৰ পিছত আঁহজৰত (ছাঃ)য়ে খবৰ পাইছিল যে কুৰাইছ্ সকলে যুদ্ধৰ বাবে এটা ডাঙৰ বাহিনী সাজু কৰিছে আৰু সিহঁতে আঁহজৰত (ছাঃ)ক বায়তুল্লাহ লৈ যাওঁতে বাধা প্ৰদান কৰিব। এই খবৰ শুনি তেখেত (ছাঃ)য়ে লোকৰ সৈতে পৰামৰ্শ কৰি বায়তুল্লাহৰ যাত্ৰা অব্যাহত ৰাখিছিল।

আঁহজৰত (ছাঃ)য়ে যেতিয়া হুদায়বিয়াত গৈ উপস্থিত হয় তেতিয়া তেখেত (ছাঃ)ৰ উটনী কছুৱা বহি পৰিছিল আৰু চেষ্টা কৰা সত্বেও তাই খোজ দিয়া নাছিল। মানুহে কৈছিল যে কচুৱা ভাগৰি পৰিছে কিন্তু আঁহজৰত (ছাঃ)য়ে কৈছিল কচুৱা ভাগৰি পৰা নাই আৰু না এয়া তাইৰ অভ্যাস বৰং হাতী বিলাকক ৰোধ কৰা পৱিত্ৰ সত্তা অৰ্থাৎ আল্লাহ ইয়াক বাধা আৰোপ কৰিছে। আল্লাহৰ কছ্‌ম ! যাৰ হাতৰ মুঠিত মোৰ প্ৰাণ, কুৰাইছ্ সকলে যি বিচাৰিব, যি কথাত সিহঁতে আল্লাহ তা'লাৰ পৱিত্ৰতাৰ সন্মান কৰিব, মই সেয়াই সিহঁতক নিশ্চয় দিম, ইয়াৰ পিছত তেখেত (ছাঃ)য়ে উটনীক চাবুক মৰাৰ লগে লগে থিয় হৈ গৈছিল।

মুছলমান সকলে হুদায়বিয়াৰ পানীৰ হাউজৰ ওচৰত বাহৰ পাতি পানী নিবলৈ আৰম্ভ কৰে আৰু অলপ সময়ৰ ভিতৰতেই সেই পানী শুকাই যায়। হজৰত নাজিয়া (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে পানী কম হোৱাৰ অভিযোগ উঠাৰ লগে লগে আঁহজৰত (ছাঃ)য়ে মোক মাতি পঠিয়াই আৰু নিজৰ তৰকছ্‌ৰ (তীৰদানৰ) পৰা এটা তীৰ উলিয়াই আনি মোক দিয়ে আৰু নিজৰাৰ পানী এটা পাত্ৰত লৈ আনিব দিয়ে। ইয়াৰ পিছত তেখেত (ছাঃ)য়ে ওজু কৰি, কুলকুলাৰ পানী সেই পাত্ৰত দিয়ে আৰু কয় যে এয়া নিজৰাত ঢালি দিয়া, যাৰ পানী শুকাই গৈছে আৰু নিজৰাৰ পানীত তীৰ দবাই দিয়া। গতিকে মই তেনেকুৱাই কৰিছিলোঁ। কছ্‌ম সেই সত্তাৰ যিয়ে তেখেত (ছাঃ)ক সত্যৰ সৈতে পঠিয়াইছে। মই বৰ কষ্টেৰে সেই হাউজৰ পৰা ওলাই আহিছিলো কাৰণ পোনীয়ে মোক আগুৰি ধৰিছিল আৰু পানী এনেদৰে উথলি উঠিছিল যে পানী ওপৰলৈ বুলি ওঠি আহি কিনাৰাৰ সমান হৈ পৰিছিল। লোকে কিনাৰৰ পৰাই পানী ভৰাই লৈছিল আৰু সকলোৱে পিয়াহ নিবাৰণ কৰিছিল।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে সেই সময়ত বৰষুণ হোৱা বুলিও উল্লেখ কৰিছে। কৈছে যে সেই দিনা ৰাতিত বৰষুণ পৰিছিল। গতিকে যেতিয়া ফজৰৰ নামাজৰ বাবে আঁহজৰত (ছাঃ)য়ে ওলাইছিল, দেখিছিল যে ময়দান পানীৰে উপচি পৰিছে, তেতিয়া আঁহজৰত (ছাঃ)য়ে মিচিকিয়াই চাহাবা সকলক কৈছিল তোমালোকে জানানে এই বৰষুণৰ সময়ত তোমালোকৰ খোদাই কি বাণী অৱতীৰ্ণ কৰিছে ? চাহাবা সকলে আগৰ অভ্যাসৰ দৰেই উত্তৰ দিছিল যে খোদা আৰু তাৰ ৰছুলেই ভালদৰে জানে। তেখেত (ছাঃ)য়ে কৈছিল যে খোদা তা'লাই কৈছে যে মোৰ বান্দা সকলৰ কিছুমানে ৰাতিপুৱা প্ৰকৃত ঈমান অটুট ৰাখিছিল। তাতে আন কিছুমানে কুফৰ অৱস্থাত পৰি থৰক-বৰক হৈ পৰিছে। কাৰণ যিবিলাক লোকে কৈছিল যে আমাৰ ওপৰত খোদা তা'লাৰ ফজল আৰু ৰহমৰ বৰষুণ হৈছে, তেওঁলোক ঈমানত অটুট আছে, আৰু যিবিলাক লোকে কৈছে যে এই বৰষুণ অমুক অমুক তৰাৰ প্ৰভাৱত হৈছে, তেওঁলোক নিঃসন্দেহ চন্দ্ৰ, সূৰ্যৰ ওচৰত বিশ্বাসী হৈছে, কিন্তু খোদা তা'লাৰ কুফৰ কৰিছে। এই বাণীৰ জৰিয়তে যিজন তৌহিদৰ সম্পদেৰে চহকী, তেখেত (ছাঃ)য়ে চাহাবা সকলক এয়া শিকাইছিল যে ছিলছিলা ব্ৰহ্মাণ্ড পৰিচালিত বস্তুৰ অধীনত খোদা তা'লাৰ এই ব্ৰহ্মাণ্ড পৰিচালনা কৰাৰ বাবে বিভিন্ন ধৰণৰ বস্তু সৃষ্টি কৰিছে আৰু বৰষুণ আদিৰ ক্ষেত্ৰত চন্দ্ৰ, সূৰ্যৰ প্ৰভাৱ অস্বীকাৰ কৰিব পৰা নাযায়। কিন্তু প্ৰকৃত তৌহিদ হ'ল এয়া যে কোনো মাধ্যম বস্তু থকা সত্বেও

মানুহৰ দৃষ্টি সেই অদৃশ্য সত্তাৰ প্ৰতি অন্ধ হ'ব নালাগে, যিজনাই এই ব্ৰহ্মাণ্ডৰ আচল বস্তু আৰু যাৰ অবিহনে এই বাহ্যিক বস্তু-ৰাজি মৃত পোক-পৰুৱাতকৈ বেছি মৰ্যাদা নাৰাখে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হুদায়বিয়াৰ অভিযান সম্পৰ্কে বৰ্ণনা কৰিবলৈ আৰু বাকী আছে, ইনশা আল্লাহ আগলৈ বৰ্ণনা কৰা হ'ব। এতিয়া মই কেইজনমান মৰহুমৰ বিষয়ে বৰ্ণনা কৰিম আৰু নামাজে জুমাৰ পিছত নামাজে জানাজা গায়েব পঢ়োৱাম। ইয়াৰে প্ৰথমজন মৰহুম হ'ল আজিজম শহৰিয়াৰ ৰকিন বিন মহম্মদ আব্দুল ওহাব চাহাব অফ বাংলাদেশ। ৫ আগষ্টত চৰকাৰৰ পতন ঘটৰ পিছত দেশত এক আন্দোলন সংঘটিত হয়, এই সুযোগত আহমদীয়তৰ বিৰোধী সকলে আহমদ নগৰ জামাতৰ ওপৰত আক্ৰমণ চলায়। সেই বিৰোধী সকলে আহমদী সকলৰ ঘৰ-দুৱাৰ জ্বলাই দি জামিয়া আহমদীয়া আৰু জলছা ময়দানলৈ আহে, যদিও সিহঁতে জামিয়া আহমদীয়াৰ ভিতৰত প্ৰৱেশ কৰিব পৰা নাছিল তথাপি সিহঁতে গৈ জলছা ময়দানত কৰ্তব্যৰত খুদ্দাম সকলক আক্ৰমণ কৰে। তেতিয়া আজিজম শহৰিয়াৰৰ মূৰত আঘাত লাগে আৰু তিনি মাহ চিকিৎসাধীন হৈ থকাৰ পিছত যোৱা ৪ নৱেম্বৰত প্ৰায় ১৬ বছৰ বয়সত শ্বাহাদত বৰণ কৰে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। আজিজম ওৱাকফে নও তেহেৰিকত চামিল আছিল। মৰহুমে পিতৃ-মাতৃৰ ওপৰি আইতা ককা আৰু এজনী ভনীৰ সৈতে দুজন ভাই ইহজগতত এৰি থৈ গৈছে। দ্বিতীয়জন হ'ল মকৰম আব্দুল্লাহ আদিদ মওদা চাহাব অফ কাবাবিৰ। মৰহুম এজন উচ্চ পৰ্যায়ৰ লিখক আছিল। মৰহুম বৰ মুখলিচ অভিজ্ঞ আৰু জামাতৰ এজন প্ৰকৃত সেৱক আছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে মৰহুমিন সকলৰ বাবে মাগফিৰাত আৰু উচ্চ মৰ্যদা প্ৰাপ্তিৰ হকে দোৱা কৰে। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 15 NOV 2024**

# BOOK POST (PRINTED MATTER)

TO,

........................................................................................................................

........................................................................................................................

........................................................................................................................

**NASHOR-O-ISHAAT QADIAN**

অনুবাদক ঃ শ্বাহজাহান আলি মুৱাল্লিম ছিলছিলা